হেমাংগই পৰিৱেশন কৰিলে ব্যংগগীতি 'মাউণ্টব্যাটন মংগল কাব্য।"
এলাহাবাদৰ অধিৱেশনৰ বাণী হ'ল উদাৰ গণতান্ত্রিক মানৱতাবাদী। শ্ৰেণী সংগ্ৰামৰ ভিত্তিত বিপ্লৱী গণসংস্কৃতি গঢ়াৰ প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। অধিৱেশনৰ সফলতাই সংঘৰ নেতা-কৰ্মীসকলৰ মনলৈ নতুন উদ্যম কঢ়িয়াই আনিলে। অসমলৈ আহি হেমাংগ কেইদিনমান পাণ্ডু ৰে'ল কলনিত থাকিল। এই কলনিতে পাৰ্টিৰ অসম প্ৰাদেশিক কমিটিৰ গোপন কৰ্মকেন্দ্ৰ স্থাপন কৰা হৈছে। হেমাংগ ইয়াত থাকোঁতেই গুৱাহাটীৰ প্ৰকাশ্য ঠিকনাত পাৰ্টিৰ মুখপত্ৰ 'নতুন অসম'ৰ সম্পাদকলৈ জ্যোতিপ্ৰসাদৰ এখন সৰু চিঠি আহিল। চিঠিৰ লগত 'শিল্পীৰ পৃথিৱী'ৰ এটা কপি আৰু এটি সৰু কবিতা আছিল। কবিতাটো হেমাংগই পঢ়ি চালে। প্ৰথম লাইনটোত লিখিলে—"জয় হাতুৰী জয়, জয় বটালিৰ জয়।" 'নতুন অসম'ৰ সম্পাদক হিচাপে চিঠিখন দধি মহন্তলৈ সম্বোধন কৰি লিখিছে। শিৱসাগৰত শিল্পী সংঘৰ অধিৱেশনত দিয়া অভিভাষণ 'শিল্পীৰ পৃথিৱী'ত থকা বক্তব্য সম্বন্ধে পাৰ্টি নেতৃত্বৰ খোলা মতামত বিচাৰিছে। তেখেতে লিখিছে—"মোৰ চিন্তাত প্ৰগতিশীলতাৰ অকণমান কুঁহিপাতো যদি বিচাৰি পায় তেন্তে আপোনালোকে আলফুলকৈ যতন কৰি তাক ঠন ধৰি উঠিবলৈ সাহায্য কৰিব। যদি কিবা প্ৰতিক্ৰিয়াশীল বুলি ভাবে তেন্তে তাক যেন নিৰ্মমভাৱে মষিমূৰ কৰিবলৈ কোনো দ্বিধা নকৰে।"

এই কথাফাকিয়ে হেমাংগৰ মনত দ-কৈ সাঁচ বহুৱালে। পাৰ্টিৰ নেতৃত্বৰ প্ৰতি ইমান দৃঢ় আস্থা স্থাপন কৰা বাবে শ্ৰদ্ধাত হেমাংগৰ মূৰ দোঁ খাই গ'ল। জ্যোতিপ্ৰসাদ পাৰ্টিৰ সভ্য নহয়, বন্ধুহে। অথচ সংঘৰ সভাপতি হোৱা বাবে বহুতে আকৌ 'কমিউনিষ্ট হৈ গ'ল' বুলি গুণাগঁথা কৰিলে। এদিন জ্যোতিপ্ৰসাদে ৰং কৰি হেমাংগক কৈছিল— "এওঁলোকে মোৰ কুৎসা গাবলৈ গৈ কমিউনিজমৰ সন্মান বঢ়াই দিছে।"

জ্যোতিপ্ৰসাদৰ সৈতে থকা ঘনিষ্ঠ সংযোগৰ বাবেই হওক বা সংস্কৃতি ফ্ৰণ্টৰ নেতা হোৱা কাৰণেই হওক, পাৰ্টি ছেক্ৰেটেৰিয়েটে চিঠিখনৰ উত্তৰৰ এটা খচৰা তৈয়াৰ দায়িত্ব হেমাংগক দিলে। বৰ সাৱধানে হেমাংগই খচৰা প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰিলে। অসমৰ সংস্কৃতিলৈ জ্যোতিপ্ৰসাদৰ অৱদান প্ৰথমে সুঁৱৰি আৰু শ্ৰদ্ধা জনাই খচৰাৰ পাতনি মেলিলে। কমিউনিষ্ট মতবাদলৈ তেখেতৰ সংগ্ৰামী সমৰ্থনৰ বাবে অভিনন্দনো জনালে। তাৰ পাছত মাৰ্ক্সীয় চিন্তাৰ দৃষ্টিকোণৰ পৰা তেখেতৰ চিন্তাৰ বিশ্লেষণ কৰাৰ প্ৰয়াস চলালে।

দুদিনমান পৰিশ্ৰম কৰি হেমাংগই প্ৰস্তুত কৰি দিয়া খচৰা বিশ্লেষণ মোটামুটি মানি ল'লেও পাৰ্টি ছেক্ৰেটেৰিয়েটে আদৰ্শগত ফালৰ পৰা অসম্পূৰ্ণ বুলি মত প্ৰকাশ কৰিলে। পাছত জ্যোতিৰ্ময় নন্দীক সেই খচৰাৰ ভিত্তিত এখন পূৰ্ণাংগ উত্তৰ যুগুত কৰিবলৈ পাৰ্টি ছেক্ৰেটেৰিয়েটে দায়িত্ব দিলে।

জ্যোতিপ্ৰসাদৰ চিঠিখনৰ গুৰুত্ব উপলব্ধি কৰি পাৰ্টিয়ে নন্দীয়ে প্ৰস্তুত কৰি দিয়া পূৰ্ণাংগ উত্তৰটো পুস্তিকা হিচাপে প্ৰকাশ কৰাৰ সিদ্ধান্ত ল'লে। গুৱাহাটীৰ পাৰ্টিৰ প্ৰেছত ছপাবলৈ কেশৱ মহন্তকে দায়িত্ব দিয়া হ'ল। কিন্তু লৈ যাওঁতে আদবাটতে পুলিছে পাণ্ডুলিপিটো জব্দ কৰিলে।

এখন ঐতিহাসিক দলিলৰ এনেদৰে সমাধি ঘটাত হেমাংগ বিমৰিষ হৈ পৰিল। কিন্তু এইবাবেই নহয় যে নিজৰ ৰচনাখন চিৰদিনৰ বাবে হেৰাই গ'ল, বৰং এইবাবে যে জ্যোতিপ্ৰসাদে বিচৰা মতামতখিনি তেখেতৰ হাতত কোনোদিনেই নপৰিব। কোনো কাৰণতে হেমাংগই জ্যোতিপ্ৰসাদক বেয়া পোৱাব নোখোজে। তেখেতৰ দৰে দেহেকেহে সংগ্ৰামী জনতাৰ শিল্পীগৰাকীক পাই হেৰুৱাৰ এটা ভয়ে হেমাংগক হয়তো অহৰহ শংকিত কৰি ৰাখে।

জ্যোতিপ্ৰসাদক লগ পাবলৈ হেমাংগ নিজেই ডিব্ৰুগড়লৈ আহিল। এলাহাবাদ অধিৱেশনৰ আহ্বানত সঁহাৰি জনাই অসমতো শ্ৰমিক শ্ৰেণী আৰু কৃষকৰ মাজত দ্বিতীয় প্ৰাদেশিক সন্মিলন আৰু একেলগে শান্তি সন্মিলন অনুষ্ঠিত কৰাৰ বিষয়ে দুয়ো আলোচনা কৰিলে। জ্যোতিপ্ৰসাদে ডিব্ৰুগড়ৰ নালিয়াপুলৰ কলনিতে অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিলে।

জুলাই মাহৰ ১৫ তাৰিখৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে প্ৰাদেশিক সন্মিলন। সময় কম। পৰিস্থিতিও বৰ অনুকূল নহয়। বেলতলা, ৰঙিয়া, বেলশৰ আদি অঞ্চলৰ কৃষক আন্দোলনে চৰকাৰক বিপদত পেলাইছে। কিছুমান দল-সংগঠনক চৰকাৰে নিষিদ্ধ ঘোষণা কৰিছে। সমগ্ৰ দেশৰ লগতে অসমতো বহু বে-আইনী ঘোষিত দল-সংগঠনৰ নেতা-কৰ্মীয়ে আত্মগোপন কৰিবলৈ বাধ্য হৈছে। এনে প্ৰতিকূল পৰিৱেশতো সন্মিলনৰ প্ৰস্তুতি চলিল। নগেন কাকতি, উষা দত্তৰ লগতে ডিব্ৰুগড়ৰ নেতা-কৰ্মীসকলে দেহেকেহে খাটিছে। গণনাট্যৰ প্ৰধান ছেক্ৰেটেৰি নিৰঞ্জন সেন কেইদিনমান আগতেই গোপনে আহি উপস্থিত হৈছেহি।

জ্যোতিপ্ৰসাদে অসুস্থ শৰীৰেই অধিৱেশন উদ্বোধন কৰিলে। শাৰীৰিক অসুস্থতাৰ বাবে হেমাংগ উপস্থিত থাকিব নোৱাৰিলে। গুৱাহাটীৰ খাৰঘুলিত তেতিয়া শয্যাগত। সন্মিলনলৈ যাব নোৱাৰি হেমাংগই ছটফটাই কটালে। প্ৰথম দিনাৰ কাৰ্যসূচী ভালদৰেই পাৰ হ'ল। দ্বিতীয় দিনাহে এটা ডাঙৰ অঘটন ঘটিল। শান্তি সন্মিলনৰ আয়োজনৰ মাজতেই কোনো অজ্ঞাত লোকে এগৰাকী পুলিছ বিষয়াক চৰকাৰী চোৰাংচোৱাগিৰি কৰাৰ সন্দেহত হত্যা কৰিলে। ফলত পৰিস্থিতি জটিল হৈ পৰিল।

শেষৰ দিনাৰ মুকলি অধিৱেশন। জ্যোতিপ্ৰসাদে নিজেই সত্যপ্ৰভা দাসকে ধৰি সমবেত সংগীত পৰিৱেশন কৰা দলটোক গাড়ীৰে লৈ আনিছে। কিন্তু নালিয়াপুল পোৱাৰ আগতেই এজন কৰ্মীয়ে গাড়ী ৰখাই পৰিস্থিতিৰ ভয়াৱহতাৰ ইংগিত দিয়াত জ্যোতিপ্ৰসাদে সংগীতৰ দলটোক গীত গাব নালাগে বুলি ঘৰলৈ ঘূৰাই পঠালে।

আৰক্ষী বিষয়াক হত্যাৰ অজুহাতত শান্তি সন্মিলনৰ ওপৰত চৰকাৰী আৰক্ষী বাহিনী জঁপিয়াই পৰিল। সন্মিলনৰ থলীত হাহাকাৰ; চিঞৰ-বাখৰ। উগ্ৰ মূৰ্তি ধৰা পুলিছে নিৰ্বিচাৰে গুলীবৰ্ষণ কৰিলে। তিতাবৰৰ কৃষক-জীয়াৰী বীণা বৰা আৰু শ্ৰমিক-মাতৃ ষোড়শী নাগ থিতাতে নিহত হ'ল। তেনেই হুৱা-দুৱাখন লাগিল। সন্মিলনৰ থলী নহয় যেনিবা ৰণথলীহে।

পুলিছৰ নিৰ্যাতন চলি থাকিল। সন্মিলনলৈ যোৱাসকলৰো বিচাৰ-খোঁচাৰ আৰম্ভ কৰিলে। পুলিছৰ ভয়ত বহুতো পলাই থাকিল। কটন কলেজত পঢ়া ছোৱালী সত্যপ্ৰভাক ওচৰৰে এঘৰত মাকে থৈ আহিলগৈ। কিছুমানক আকৌ পুলিছে বিচাৰি নাপাই দেউতাকহঁতকেই নি জে'লত ভৰাই থ'লে। মুঠতে এটা ত্ৰাসজনক পৰিৱেশ।

(আগলৈ)

ঠিকনা ঃ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়, তেজপুৰ-৭৮৪০০১, ফোন ঃ ৮৬৩৮৫৭২৭৭৯


## ডাকযোগে প্ৰান্তিকৰ গ্ৰাহক হোৱাসকলৈলে এটা নিবেদন

আমি ডাকযোগে আপোনালোকলৈ পঠিওৱা প্ৰতি সংখ্যাৰ প্ৰান্তিকৰ বকলাত আপোনালোকৰ নাম, ঠিকনাযুক্ত যিখন লেবেল থাকে সেইখনতে **গ্ৰাহক নম্বৰ, বৰঙণিৰ ম্যাদ আদিৰ তথ্য স্পষ্টভাৱে উল্লেখ থাকে।** সেইখন অলপ মনোযোগ দি চালেই যিকোনো বিষয়ত আমাৰ সৈতে যোগাযোগ কৰিবলৈ সুবিধা পাব আৰু আপোনালোকলৈ সন্তোষজনকভাৱে সেৱা আগবঢ়োৱাত আমাক সহায় কৰা হ'ব।

**প্ৰসন্ন শৰ্মা,**
ব্যৱস্থাপক, প্ৰান্তিক